# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

০০০০০০

১। সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ। অধিবেশনত মুঠ ১৩ খন বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা।

২। ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদন আলোচনাৰ বাবে অসম জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিক আমন্ত্ৰণ জনোৱাৰ মন্ত্ৰীসভাৰ সিদ্ধান্ত।

৩। বিশ্ব এইডছ্‌ দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন স্থানত সজাগতা কাৰ্যসূচী।

৪। নাগালেণ্ডৰ কোহিমাত পৰম্পৰাগত হৰ্নবিল মহোৎসৱ আজি আৰম্ভ। **আৰু**

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰাঁচীত অনুষ্ঠিত প্ৰথমখন এদিনীয়াত দক্ষিণ আফ্ৰিকাৰ ভাৰতৰ ১৭ ৰানত জয়লাভ।

০০০০০০

সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হ'ব। ১৯ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৫ খন বৈঠক অনুষ্ঠিত হ'ব। সংসদৰ শীতকালীন অধিবেশনত মুঠ ১৩ খন বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথ সংশোধনী বিধেয়ক, পাৰমাণৱিক শক্তি বিধেয়ক, কৰ্প'ৰেট আইন সংশোধনী বিধেয়ক, বীমা আইন সংশোধনী বিধেয়ক আৰু ভাৰতৰ উচ্চ শিক্ষা আয়োগ বিধেয়ক ২০২৫ আছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লোকসভাত কেন্দ্ৰীয় শুল্ক সংশোধনী বিধেয়ক দাখিল কৰিব। তদুপৰি অধিবেশনত ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰথম পৰ্যায়ৰ অনুদানৰ পৰিপূৰক দাবী সন্দৰ্ভত আলোচনা আৰু ভোটদান কৰা হ'ব।

ইয়াৰ পূৰ্বে কালি নতুন দিল্লীৰ সংসদ ভৱনত সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াতো সুনিশ্চিত কৰাৰ বাবে এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত ৩৬টা ৰাজনৈতিক দলৰ ৫০জন নেতাই অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে ইতিবাচক পৰিবেশত এই বৈঠক অনুষ্ঠিত হয় আৰু চৰকাৰে সংসদৰ শীতকালীন অধিবেশন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ৰাজনৈতিক দলৰ নেতাকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। এইবাৰৰ অধিবেশনত যিকোনো গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি শ্ৰীৰিজিজুৱে উল্লেখ কৰে।

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত বিধানসভাত যোৱা শনিবাৰে মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদনৰ আলোচনাৰ বাবে অসম জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতি অৰ্থাৎ চি চি টি অ' এক আমন্ত্ৰণ জনোৱা

হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি কয়, যে মন্ত্ৰী ৰণোজ পেগু, কেশৱ মহন্ত আৰু পীযুষ হাজৰিকাৰে গঠিত মন্ত্ৰীগোটৰ প্ৰতিবেদন সন্দৰ্ভত কালিৰ বৈঠকত আলোচনা কৰা হয়। তেওঁ কয়, যে এই প্ৰতিবেদন বহু লোকে ভালদৰে অধ্যয়ন নকৰাৰ বাবেই ভুল বুজাবুজিৰ সৃষ্টি হৈছে। প্ৰয়োজন সাপেক্ষে মুখ্যমন্ত্ৰীগৰাকী নিজেও জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে আলোচনাত মিলিত হ'ব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে।

বাইট

মন্ত্ৰীসভাৰ বৈঠকত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত কৰ্মৰত কৰ্মচাৰীৰ মৃত্যু হ'লে পূৰ্বৰ এককালীন সাহায্য ৫ লাখ টকাৰ পৰা চাৰে ৭ লাখ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইপিনে, ৰাজ্যত নতুনকৈ স্থাপন কৰা পাঁচখন মিনি আই টি আই – দুধনৈ, পাঠশালা, ৰঙিয়া, বিশ্বনাথ চাৰিআলি আৰু তিতাবৰত কৰ্মৰত কৰ্মচাৰীসকলৰ দৰমহা প্ৰায় ৩৫ শতাংশ বৃদ্ধিৰ সিদ্ধান্ততো মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাৰ বৈঠকত উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় আইন, ২০২৩-ৰ ৫৮ নম্বৰ ধাৰা সংশোধন কৰিবলৈ অধ্যাদেশ জাৰি কৰাত অনুমোদন জনোৱা হয়। এই সংশোধনীয়ে প্ৰথমে পঞ্জীয়কক তিনি বছৰলৈ বা নিয়মীয়া পঞ্জীয়ক নিযুক্তি নিদিয়া পৰ্যন্ত কাৰ্যভাৰ গ্ৰহণ কৰি থাকিবলৈ অনুমতি প্ৰদান কৰিব। ইয়াৰ ফলত বিশ্ববিদ্যালয়ৰ কাম-কাজসমূহ নিৰৱচ্ছিন্নভাৱে চলি থকাটো সুনিশ্চিত হ'ব। মন্ত্ৰীসভাই মিছন বসুন্ধৰাৰ অধীনত ধুবুৰী, গোৱালপাৰা, বঙাইগাঁও, শোণিতপুৰ, লখিমপুৰ, গোলাঘাট, নলবাৰী আৰু বৰপেটাত ৬৬০টা খিলঞ্জীয়া ভূমিহীন পৰিয়ালক চৰকাৰী ভূমি নিষ্পত্তিৰ ক্ষেত্ৰত অনুমোদন জনায়। মন্ত্ৰীসভাৰ বৈঠকত অহা ১০ ডিচেম্বৰত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত নিৰ্মাণ কৰা ছহিদ স্মাৰকৰ উদ্বোধন কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। ডঃ শৰ্মাই কয়, যে সেইদিনা ছহিদসকলৰ পৰিয়ালক এই অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হ'ব। ১০ ডিচেম্বৰত ৰাজ্যৰ প্ৰতিখন জিলাতে ছহিদ দিৱসৰ কাৰ্যসূচীত এহেজাৰৰ পৰা ১০ হাজাৰ লোকৰ উপস্থিতিৰে 'ছহিদ প্ৰণামো তোমাক' শীৰ্ষক গীতটি পৰিৱেশন কৰা হ'ব। ০০০০০০০

০০০০০০

আজি বিশ্ব এইডছ দিৱস। এইডছ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত মৃত্যু হোৱা লোকসকলৰ প্ৰতি সমবেদনা প্ৰকাশেৰে ১৯৮৮ চনৰ পৰা প্ৰতিবছৰৰ ১ ডিচেম্বৰৰ দিনটো বিশ্ব এইডছ দিৱস হিচাপে পালন কৰি অহা হৈছে। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব এইডছ দিৱস উপলক্ষে বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগ আৰু ৰাজ্য চৰকাৰৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কেন্দ্ৰীয়ভাৱে বিশ্ব এইডছ দিৱস পালনৰ আয়োজন কৰা হৈছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- **অন্তৰায় অতিক্ৰমী এইডছৰ বিৰুদ্ধে যুঁজ দিওঁ আহক**। আজিৰ কেন্দ্ৰীয় কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলৰ লগতে কেইবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকিব। এইডছৰ পৰা নিজকে ৰক্ষা কৰাৰ লগতে সমাজত এইডছৰ সজাগতা বৃদ্ধি কৰি এইডছ নিৰ্মূল কৰাৰ বাবে প্ৰতিবছৰে এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক পৰহিলৈ নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত সেইদিনা দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। ইপিনে, চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব।

ইপিনে ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

দেউৰী পিপলছ জাষ্টিচ ফৰাম কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু মাজুলী জিলা সমিতিৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে কালি মাজুলীৰ চিৰাম দেউৰী গাঁৱত জননেতা ভীমবৰ দেউৰী দিৱস পালন কৰা হয়। অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ বিধানসভাৰ অধ্যক্ষ টেমছ পঙটেকলৈ ২০২৫ বৰ্ষৰ ভীমবৰ দেউৰী বঁটা আগবঢ়োৱা হয়। লখিমপুৰৰ গোবিন্দ বিশ্বকৰ্মাক ভীমবৰ দেউৰী যুৱ বঁটা, গুৱাহাটীৰ বিশিষ্ট সমাজকৰ্মী লক্ষেশ্বৰ বৰাক ভীমবৰ দেউৰী সমন্বয় বঁটা আৰু অৰুণাচলৰ উদ্যোগপতি কাকু ইজাত টামিনলৈ যুৱ উদ্যোগী বঁটা প্ৰদান কৰা হয়। জননেতা ভীমবৰ দেউৰী বঁটা গ্ৰহণ কৰি অৰুণাচল প্ৰদেশৰ বিধানসভাৰ অধ্যক্ষগৰাকীয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে মাজুলীৰ সত্ৰীয়া-সংস্কৃতিৰ প্ৰশংসা কৰে।

**(বাইট ঃ টেমছ পঙটেক)**

ইপিনে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ কলৌলোৱা দেউৰী গাঁৱৰ উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত কালি ৭৮ সংখ্যক জননেতা ভীমবৰ দেউৰী দিৱস পালন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শিক্ষাবিদ ড০ উপেন ৰাভা হাকাচামকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ধেমাজি জিলাতো কালি জননেতা ভীমবৰ দেউৰীৰ স্মৃতি দিৱস পালন কৰা হয়। ধেমাজি জিলা দেউৰী সাহিত্য সভা আৰু ধেমাজি নগৰ দেউৰী উন্নয়ন আৰু কল্যাণ সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস অনুষ্ঠিত হয়।

০০০০০০

নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত আজি ২৬ সংখ্যক হৰ্নবিল মহোৎসৱ আৰম্ভ হ'ব। নাগালেণ্ডৰ ৰাজ্য হিচাপে প্ৰতিষ্ঠা দিৱসৰ সৈতে একেলগে আয়োজন কৰা এই ১০ দিনীয়া মহোৎসৱত নগা জনজাতিসকলক একেলগ কৰি ৰাজ্যখনৰ লোক সংগীত, শিল্প, খাদ্য সম্ভাৰ আদিৰ মাধ্যমেৰে বৰ্ণাঢ্য সংস্কৃতিক প্ৰদৰ্শন কৰা হ'ব। প্ৰায় দুই দশক পূৰ্বে পৰ্যটনৰ পদক্ষেপ হিচাপে আৰম্ভ কৰা হৰ্নবিল মহোৎসৱ বৰ্তমান বিশ্বৰ অন্যতম আকৰ্ষণীয়

সাংস্কৃতিক মহোৎসৱ হিচাপে পৰিগণিত হৈছে। এই মহোৎসৱে এখন গোলকীয় মঞ্চ হিচাপে দেশ-বিদেশৰ পৰ্যটক, সহযোগী তথা শিল্পীসকলক আকৰ্ষণ কৰি আহিছে।

০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে আজিৰে পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হৈছে। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। বিয়লি পাঁচ বাজি ১৫ মিনিট আৰু সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজি ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময় পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি আজিৰেপৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰাঁচীত অনুষ্ঠিত প্ৰথমখন এদিনীয়াত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক ১৭ ৰানত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ৩৫০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৯ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩২ ৰান কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ মেথিউ ব্ৰীটজকেই সৰ্বাধিক ৭২ ৰান কৰাৰ লগতে মাৰ্কো জেনচনে ৭০ আৰু কৰ্বিন বচে ৬৭ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৪টা উইকেট লাভ কৰাৰ লগতে হৰ্ষিত ৰাণাই ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি  বিৰাট কোহলীৰ ১৩৫ ৰানৰ সহায়ত নিৰ্ধাৰিত ৫০ অভাৰত ৮ উইকেটৰ বিনিময়ত ৩৪৯ ৰাণ সংগ্ৰহ কৰে। কোহলীয়ে এই শতকৰ সুবাদত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৫২ সংখ্যক শতক অৰ্জন কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ একক ফৰ্মেটত সৰ্বাধিক শতক অৰ্জন কৰাৰ নতুন বিশ্ব অভিলেখ গঢ়ে। অধিনায়ক কে এল ৰাহুলে ৬০ আৰু ৰোহিত শৰ্মাই ৫৭ ৰাণৰ বৰঙণি আগবঢ়ায়। বিৰাট কোহলীক প্লেয়াৰ অব দা মেচ ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত ভাৰত বৰ্তমান তিনিখনীয়া এদিনীয়া শৃংখলাত ১-০ৰ ব্যৱধানত আগবাঢ়ি আছে।

০০০০০০

সংসদৰ শীতকালীন অধিৱেশন আজিৰেপৰা আৰম্ভ, ঘূৰ্ণীবতাহে কোবাই যোৱা শ্ৰীলংকাক ভাৰতৰ সাহায্য সামগ্ৰী প্ৰদান ইউ পি পি এলৰ পৰা কোঁচ ৰাজবংশী নেতা-কৰ্মীৰ সমূহীয়া পদত্যাগ আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অসমৰ বিত্তীয় ভৱিষ্যতৰ ভয়াবহ ছবি কেগৰ প্ৰতিবেদনত উন্মোচিত হৈছে। অসমে ৭ বছৰত আদায় দিব লাগিব ঋণৰ বহু হাজাৰ কোটি টকা, এই বাতৰি **অসমীয়া প্ৰতিদিন** কাকতৰ। জুবিন গাৰ্গৰ মৃত্যু ৰহস্যৰ সৈতে নাম সাঙোৰ খাই পৰা অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বিধি বলৱৎকাৰী সঞ্চালকালয়ে বিত্তীয় খেলিমেলিৰ অভিযোগত নিকাচিৰ কাৰাগাৰত জেৰা চলোৱা বাতৰিটো **আমাৰ অসম, দৈনিক অগ্ৰদূত** আদি

কাকতে প্ৰকাশ কৰিছে। আমাৰ অসম কাকতত কালি আকাশবাণী চৌহদৰ বাকৰিত ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ সোঁৱৰণত দুই শতাধিক শিল্পীয়ে একেলগে অনুষ্ঠান পৰিৱেশন কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে। জনজাতিকৰণৰ বিৰোধিতাৰে তিৱা, গাৰো, ৰাভা ছাত্ৰই পশ্চিম কাৰ্বি আংলং, দুধনৈ, বকো আদিত প্ৰতিবাদ চলাই থকাৰ এটা বাতৰি **দৈনিক জনমভূমি, অসমীয়া খবৰ** আদি কাকতে প্ৰকাশ কৰিছে। ইপিনে, বিধানসভাত দাখিল কৰা মন্ত্ৰীগোটৰ প্ৰতিবেদনক লৈ প্ৰতিবাদ অব্যাহত থকাৰ সময়তে জনজাতিকৰণৰ প্ৰতিবেদনক উজনিৰ বহু অঞ্চলৰ লোকে আদৰণি জনোৱাৰ এটা বাতৰি **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে। বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত জেন জি এ মূল অৰিহণা আগবঢ়াব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰা ঘোষণাৰে **দা ছেণ্টিনেল** কাকতে বাতৰি প্ৰকাশ কৰিছে। নগাঁৱৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযান চলাই দখলকাৰীৰ কৱলৰ ওপৰত প্ৰশাসনে ৫ হাজাৰ ৯৬২ বিঘা বনভূমি মুকলি কৰিছে। এই বাতৰি **নিয়মীয়া বাৰ্তা** কাকতৰ। ভাৰতে প্ৰায় ২০০ কোটি টকাৰ সাহায্য সামগ্ৰী শ্ৰীলংকালৈ আগবঢ়োৱাৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

০০০০০০

শিৱসাগৰ চহৰৰ ব'ৰ্ডিং খেলপথাৰৰ জুবিন গাৰ্গ ক্ষেত্ৰত আজিৰে পৰা দশম শিৱসাগৰ গ্ৰন্থ উৎসৱ অনুষ্ঠিত হ'ব। স্বেচ্ছাসেৱী অনুষ্ঠান 'খোজ'ৰ উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থ উৎসৱ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালকপ্ৰধান ড০ কুলধৰ শইকীয়াই মুকলি কৰিব। এই গ্ৰন্থ উৎসৱৰ কাৰ্যসূচীত সাহিত্য সংস্কৃতিৰ লগত জড়িত কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। ১১ ডিচেম্বৰলৈ হ'বলগীয়া দশম শিৱসাগৰ গ্ৰন্থ উৎসৱৰ লগত সংগতি ৰাখি কুইজ, সংগীত, ৰচনা, নৃত্য, কবিতা আবৃত্তি আদিৰ লগতে বহু কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আশিংকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত